# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date :** 12-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। দেশৰ ১১ খন ৰাজ্যৰ ৩৩ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। কাইলৈ ৮২ জনীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণো অনুষ্ঠিত হ'ব।

২। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে ভাৰতৰ অৰ্থব্যৱস্থা জল সম্পদ নিৰ্ভৰশীল আৰু জলাশয়সমূহ সুৰক্ষিত আৰু পুনৰুজ্জীৱিত কৰাটো আমাৰ কৰ্তব্য বুলি মন্তব্য কৰিছে।

৩। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি মধ্যপ্ৰদেশৰ উজ্জয়ীনিত ৬৬ সংখ্যক সদৌ ভাৰত কালিদাস সমাৰোহ উদ্বোধন কৰে।

৪। দেশৰ ৰাজহুৱা খণ্ডৰ বেংকসমূহে ২০২৪ -২৫ বিত্তীয় বৰ্ষৰ প্ৰথম ছমাহত ভাল প্ৰদৰ্শনেৰে বাৰ্ষিক ভিত্তিত ১১ শতাংশৰ বিকাশ হাৰ অৰ্জন কৰিছে। ***আৰু***

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশ্ব বিলিয়াৰ্ডছ্ ছেম্পিয়ন ২০২৪ৰ খিতাপ অৰ্জন কৰাৰ বাবে পংকজ আদৱানীক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০

কেৰালাৰ ৱায়নাড় সংসদীয় সমষ্টিৰ লগতে ১১ খন ৰাজ্যৰ ৩৩ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। উপ-নিৰ্বাচন হ'বলগীয়া বিধানসভা সমষ্টিকেইটাৰ ভিতৰত অসমৰ ৫টা, ৰাজস্থানৰ ৭, পশ্চিমবংগৰ ৬, বিহাৰৰ ৪, কৰ্ণাটকৰ ৩ টা, মধ্য প্ৰদেশ আৰু ছিকিমৰ দুটাকৈ তথা কেৰালা, ছট্টিশগড়, গুজৰাট আৰু মেঘালয়ৰ একোটাকৈ সমষ্টি আছে।

অসমৰ চিদলী, বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত প্ৰায় ৪ হাজাৰ ৫০০ গৰাকী বিষয়া-কৰ্মচাৰী আজি বিয়লিৰ ভিতৰত নিজ নিজ কৰ্মস্থলীত উপস্থিত হয়। ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে চামগুৰি সহ আটাইকেইটা সমষ্টিতে পৰ্যাপ্ত সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। চামগুৰি সমষ্টিত প্ৰচাৰ অভিযানৰ সময়ত ভালেমান হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ প্ৰায় প্ৰতিটো কেন্দ্ৰতেই সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলীৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী

প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। নিৰ্বাচনৰ আয়োগৰ তথ্য অনুসৰি এইবাৰো উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইসকলৰ মাজত পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৫ হাজাৰ ১২৪ আৰু মহিলা ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৬ হাজাৰ ৮৮২ হোৱাৰ বিপৰীতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। আমাৰ সংবাদদাতাই জনাইছে যে উপ-নিৰ্বাচন হ'বলগীয়া আটাইকেইটা সমষ্টিতে শাসকীয় বিজেপি, অসম গণ পৰিষদ, ইউ পি পি এল মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। ইপিনে, উত্তৰ প্ৰদেশ, পঞ্জাব, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিকেইটাৰ সমান্তৰালভাৱে মহাৰাষ্ট্ৰ নান্দেড় সংসদীয় সমষ্টিৰ বাবেও সিদিনাখন ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত এই উপ-নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডে আয়োজন কৰা পানীৰ উৎসৰ ব্যৱস্থাপনা সম্পৰ্কীয় দুদিনীয়া কৰ্মশালা মুকলি কৰে। কৰ্মশালা মুকলি কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ অৰ্থব্যৱস্থা জল সম্পদ নিৰ্ভৰশীল আৰু জলাশয়সমূহ সুৰক্ষিত আৰু পুনৰুজ্জীৱিত কৰাটো আমাৰ কৰ্তব্য। তেওঁ কয়, যে জল সম্পদসমূহ সুৰক্ষিত কৰি তোলাৰ বাবে সজাগতা সৃষ্টিৰ আৱশ্যকতা আছে নহলে আমাৰ ভৱিষ্যত ধূসৰ হৈ পৰিব। বহনক্ষম জল সম্পদ অবিহনে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ সপোন পূৰণ কৰিব পৰা নাযাব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ পৰিষদৰ উচ্চ পৰ্যায়ৰ পৰ্যালোচনা কমিটিৰ ত্ৰয়োদশ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বান নিয়ন্ত্ৰণ আৰু নৈ ব্যৱস্থাপনাৰ বাবে গুৰুত্বপূৰ্ণ নীতি আৰু কৌশলৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়।

০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি মধ্যপ্ৰদেশৰ উজ্জয়ীনিত ৬৬ সংখ্যক সদৌ ভাৰত কালিদাস সমাৰোহ উদ্বোধন কৰে। অনুষ্ঠানত ৰাজ্যপাল মংগুভাই পেটেল, মুখ্যমন্ত্ৰী ড০ মোহন যাদৱকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠানত ২০২২-২৩ বৰ্ষৰ বাবে কালিদাস অলংকাৰণ সন্মান প্ৰদান কৰা হয়। ৪ টা শাখাত ৮ গৰাকী পণ্ডিতক এই সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ দি শ্ৰীধনখড়ে মহাকবি কালিদাসৰ সৃষ্টিত মানৱীয় অনুভুতি, মানৱ আৰু প্ৰকৃতিৰ মাজত অভিন্ন সম্পৰ্ক আৰু পবিত্ৰ ভালপোৱা দেখা পোৱা যায় বুলি কয়। তেওঁ কয়, যে মহান কবিগৰাকীয়ে তেওঁৰ লিখনিত বৰ্তমান সময়ৰ জলন্ত পৰিবেশ সুৰক্ষাৰ বিষয়সমূহৰ কথা লিপিবদ্ধ কৰিছিল আমাৰ অৱস্থিতিৰ বাবে পৰিবেশ ৰক্ষা আৰু সৃষ্টিৰ প্ৰয়োজন। শ্ৰীধনখড়ে কয়, যে কালিদাস সন্মান হৈছে - আমাৰ দেশৰ সংস্কৃতিৰ সন্মান। সংস্কৃতি অবিহনে আমাৰ সমাজ কেতিয়াও বৰ্তি থাকিব নোৱাৰে বুলি তেওঁ মন্তব্য কৰে।

০০০

ভাৰতৰ ছ'লাৰ পিভি অৰ্থাৎ সৌৰ শক্তি বিদ্যুৎ শক্তিলৈ ৰূপান্তৰকাৰী সামগ্ৰীৰ ৰপ্তানী বিগত দুই বছৰত ২৩ গুণ বৃদ্ধি পাই ২০০ কোটি আমেৰিকান ডলাৰ হৈছে। শক্তি অৰ্থনীতি আৰু বিত্তীয় বিশ্লেষণ প্ৰতিষ্ঠান আৰু জে এম কে গৱেষণা তথা বিশ্লেষণ গোটৰ প্ৰতিবেদন অনুসৰি ২০২২ ৰ পৰা ২০২৪ বিত্তীয় বৰ্ষলৈ এনে সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি পাইছে। ভাৰতে সৌৰ সামগ্ৰীৰ শুদ্ধ আমদানীকাৰীৰ পৰা ৰপ্তানীকাৰী হোৱাৰ ক্ষেত্ৰত প্ৰগতি লাভ কৰিছে বুলি প্ৰতিবেদনত উল্লেখ কৰা হৈছে।

০০০

দেশৰ ৰাজহুৱা খণ্ডৰ বেংকসমূহে ২০২৪ -২৫ বিত্তীয় বৰ্ষৰ প্ৰথম ছমাহত ভাল প্ৰদৰ্শনেৰে বাৰ্ষিক ভিত্তিত ১১ শতাংশৰ বিকাশ হাৰ অৰ্জন কৰিছে। এই সময়চোৱাত বেংকসমূহে মুঠ ২৩৬ লাখ ৪ হাজাৰ কোটি টকাৰ ব্যৱসায় কৰে। বিত্ত মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, বিগত কেইটামান বছৰত বেংকিং ক্ষেত্ৰত সেৱাৰ প্ৰসাৰ আৰু দক্ষতা বৃদ্ধি, দেওলীয়া বিধি ৰূপায়ণ আৰু প্ৰশাসনিক পৰিকাথামো সুদৃঢ় কৰাৰ দৰে গুৰুত্বপূৰ্ণ সংস্কাৰৰ সূচনা কৰা হৈছে আৰু ইয়াৰ বাবে বেংকসমূহে ভাল প্ৰদৰ্শন দেখুৱাবলৈ সমৰ্থ হৈছে। মন্ত্ৰালয়ে কৈছে, যে এই সংস্কাৰসমূহৰ বাবে বিত্তীয় খণ্ডৰ অৱস্থা সুস্থিৰ হৈ আছে আৰু বেংকিং ক্ষেত্ৰৰ কাম-কাজ উন্নত হৈছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহে কৃত্ৰিম বুদ্ধিমত্তা, ক্লাউদ আৰু ব্লক চেইনৰ লেখিয়া নতুন প্ৰযুক্তি প্ৰয়োগ কৰিবলৈ লৈছে আৰু চাইবাৰ সুৰক্ষা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ বাবে আৱশ্যকীয় ব্যৱস্থা গঢ়ি তুলিছে  বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০

অক্টোবৰত দেশৰ খুচুৰা মুদ্ৰাস্ফীতি ৬ দশমিক ২ - ১ শতাংশলৈ বৃদ্ধি পাইছে। চেপ্তেম্বৰত এই পৰিমাণ ৫ দশমিক ৪ - ৯ শতাংশ আছিল। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰালয়ে জাৰি কৰা তথ্য অনুসৰি অক্টোবৰত গ্ৰামাঞ্চলত মুদ্ৰাস্ফীতি ৬ দশমিক ৬-৮ শতাংশলৈ আৰু নগৰাঞ্চলত মুদ্ৰাস্ফীতি ৫ দশমিক ৬-২ শতাংশ হয়। ইপিনে, সৰ্বভাৰতীয় উপভোক্তা খাদ্য মূল্য সূচ্যাংক আধাৰিত মুদ্ৰাস্ফীতি অক্টোবৰত ১০ দশমিক ৮-৭ শতাংশলৈ বৃদ্ধি পাইছে। শাক-পাচলি, ফলমূল, তেল আৰু চৰ্বিজাতীয় সামগ্ৰীৰ মূল্যবৃদ্ধি পোৱাৰ বাবে মুদ্ৰাস্ফীতি উৰ্ধমুখী হোৱা বুলি কোৱা হৈছে। এই সময়ছোৱাত মাহজাতীয় শস্য, কণী, চেনী, বিস্কুত, মিঠাই, মচলা আদিৰ মুদ্ৰাস্ফীতি হ্ৰাস পোৱা পৰিলক্ষিত হৈছে।

০০০

সমগ্ৰ দেশত আজি ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে। মহাত্মা গান্ধীয়ে ১৯৪৭ চনত প্ৰথম আৰু শেষবাৰৰ বাবে আকাশবাণীৰ ষ্টুডিঅ' পৰিদৰ্শন কৰাৰ লগত সংগতি ৰাখি প্ৰতিবছৰে এই দিৱস পালন কৰা হয়। আকাশবাণী ভৱনতো আজি ৰাজহুৱা সম্প্ৰচাৰ দিৱস পালন কৰা হয়। সমগ্ৰ দেশতে তথ্য, শিক্ষা আৰু সাংস্কৃতিক বিচিত্ৰতা প্ৰসাৰ কৰাৰ ক্ষেত্ৰত আকাশবাণীৰ গুৰুত্বপূৰ্ণ অৱদানক এই দিনটোত আলোকপাত কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনিত কুমাৰ চেহগালে মহাত্মা গান্ধীৰ ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতাৰ কথা স্মৰণ কৰে। তেওঁ কয়, যে সকলোৰে কল্যাণৰ বাবে মহাত্মা গান্ধীয়ে বাণীয়ে সকলোকে উদ্বুদ্ধ কৰে বুলি তেওঁ প্ৰকাশ কৰে। আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়, দূৰদৰ্শনৰ সঞ্চালক প্ৰধান কাঞ্চন প্ৰসাদ আৰু আন জ্যেষ্ঠ বিষয়াসকল এই কাৰ্যসূচীত উপস্থিত থাকে।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণীৰ অংশকালীন সংবাদদাতা আৰু সংবাদকৰ্মীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে এখন বৈঠকত মিলিত হয়।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বিশ্ব বিলিয়াৰ্দ ছেম্পিয়ন ২০২৪ৰ খিতাপ অৰ্জন কৰাৰ বাবে পংকজ আদৱানীক শুভেচ্ছা জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে এটা বাৰ্তাত তেওঁৰ খেলৰ প্ৰতি সমৰ্পন, আগ্ৰহ আৰু দায়বদ্ধতাৰ বাবে

প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰীয়ে লগতে খেলুৱৈগৰাকীৰ  সাফল্যই নৱ প্ৰজন্মৰ খেলুৱৈসকলক অনুপ্ৰাণিত কৰি থাকিব বুলি আশা প্ৰকাশ কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ